**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

oooooooooo

১। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি কুৰুক্ষেত্ৰত হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বিজেপিৰ প্ৰচাৰৰ শুভাৰম্ভ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ঝাৰখণ্ড, গুজৰাট আৰু ওড়িশালৈ যাব।

৩। কৃষি আৰু কৃষক কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামনাথ ঠাকুৰে কয় যে খাদ্য সুৰক্ষা আৰু পুষ্টি নিশ্চিত কৰাৰ বাবে ভাৰতবৰ্ষই বিশ্বৰ সৰ্ববৃহৎ খাদ্য ভিত্তিক সুৰক্ষা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।
আৰু

৪। চি পি আই-এমৰ সদ্য প্ৰয়াত সাধাৰণ সম্পাদক সীতাৰাম য়েছুৰীৰ প্ৰতি নতুন দিল্লীত আজি বিভিন্ন ৰাজনৈতিক দলৰ নেতাই শ্ৰদ্ধাঞ্জলি জনায়।

ooooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি কুৰুক্ষেত্ৰত হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বিজেপিৰ প্ৰচাৰৰ শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে আজি বিয়লি কুৰুক্ষেত্ৰৰ থেম পাৰ্কত এখন নিৰ্বাচনী সভাত ভাষণ দিব। এইখন হৈছে হাৰিয়ানাত প্ৰধানমন্ত্ৰীৰ প্ৰথমখন নিৰ্বাচনী সভা। মুঠ ৯০খন আসন বিশিষ্ট হাৰিয়ানা বিধানসভাৰ নিৰ্বাচন ৫ অক্টোবৰত অনুষ্ঠিত হ'ব আৰু ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ২০১৪ চনত প্ৰথমবাৰৰ বাবে হাৰিয়ানাৰ ক্ষমতালৈ অহা বিজেপিয়ে তৃতীয়টো কাৰ্যাকালৰ বাবে এইবাৰ ক্ষমতা দখলৰ যুজত অৱতীৰ্ণ হ'ব। প্ৰধানমন্ত্ৰীৰ নিৰ্বাচনী সভাৰ জৰিয়তে দলটোৱে কেৱল কুৰুক্ষেত্ৰই নহয়, বৰং কাষৰীয়া কাৰনাল, আমবালা, কাইথাল আৰু যমুনা নগৰ জিলাৰ নিৰ্বাচনী পৰিৱেশতো প্ৰভাৱ বিস্তাৰ চেষ্টা কৰিছে। বিজেপিয়ে উন্নয়নমূলক কাম আৰু সু-শাসনৰ ভিত্তিত ভোটদাতাক আকৰ্ষণ কৰাৰ চেষ্টা কৰাৰ বিপৰীতে কংগ্ৰেছে শাসনাধিস্থিত দলৰ বিৰুদ্ধে কৃষকৰ সমস্যা আৰু নিৰনুৱা সমস্যাক জনতাৰ সন্মুখত তুলি ধৰাৰ যত্ন কৰিছে। কুৰুক্ষেত্ৰ সংসদীয় সমষ্টিত বিধানসভাৰ ৯টা সমষ্টি আছে। মুখ্যমন্ত্ৰী নায়াব সিং চাইনীয়ে লড়ৱা সমষ্টিত প্ৰতিদন্দ্বিতা কৰিছে। এই সমষ্টিত কংগ্ৰেছে মেৱা সিঙক আৰু আম আদমী পাৰ্টীয়ে যোগা সিঙক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। অনাগত দিনত ৰাজ্যখনত কংগ্ৰেছ, বিজেপি, আম আদমী পাৰ্টী, আই এ এল ডি, জে জে পি আৰু অন্যান্য দলৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰ চলাব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ঝাৰখণ্ড, গুজৰাট আৰু ওড়িশালৈ যাব। প্ৰথমতে প্ৰধানমন্ত্ৰীগৰাকী কাইলৈ ঝাৰখণ্ডত উপস্থিত হ'ব। তাত টাটানগৰ জংচন ৰেল ষ্টেচনত তেওঁ ছখন

বন্দে ভাৰত ৰেলগাড়ীৰ পতাকা জোকাৰি যাত্ৰাৰ শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে ৰাজ্যখনত ৬৬০ কোটিৰো অধিক টকাৰ ব্যয়সাপেক্ষ কেইবাটাও ৰেলৰে প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। টাটানগৰত তেওঁ প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ ২০ হাজাৰ হিতাধিকাৰীক আবাসগৃহৰ অনুমোদন পত্ৰ বিতৰণ কৰিব।

সোমবাৰে প্ৰধানমন্ত্ৰী গুজৰাটলৈ যাব আৰু গান্ধীনগৰত প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোজনাৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ গান্ধীনগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ গোলকীয় পুনৰ নবীকৰণ শক্তি বিনিয়োগকাৰী বৈঠক আৰু এক্সপ' উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আহমেদাবাদ মেট্ৰ' ৰেল প্ৰকল্প মুকলি কৰিব আৰু চেকচন-১ মেট্ৰ' ষ্টেচনৰ পৰা জি আই এফ টি চিটি মেট্ৰ' ষ্টেচনলৈ চমু যাত্ৰা কৰিব। সেইদিনাই সন্ধিয়া শ্ৰীমোদীয়ে আহমেদাবাদত ৮ হাজাৰ কোটিৰো অধিক টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

মঙলবাৰ অৰ্থাৎ ১৭ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীয়ে ওড়িশা ভ্ৰমণ কৰিব। ভূবনেশ্বৰত তেওঁ প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ একাংশ হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমোদীয়ে ভূবনেশ্বৰত ৩ হাজাৰ ৮০০ কোটিৰো অধিক টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু মুকলি কৰিব।

ooooo

কৃষি আৰু কৃষক কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামনাথ ঠাকুৰে কয় যে খাদ্য সুৰক্ষা আৰু পুষ্টি নিশ্চিত কৰাৰ বাবে ভাৰতবৰ্ষই বিশ্বৰ সৰ্ববৃহৎ খাদ্য ভিত্তিক সুৰক্ষা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আজি ব্ৰাজিলৰ কুইয়াবাত অনুষ্ঠিত জি-২০ কৃষি মন্ত্ৰীপৰ্য্যায়ৰ বৈঠকত ভাষণ দি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে কৃষি উন্নয়নত অগ্ৰাধিকাৰ দিছে। তেওঁ লগতে কয় যে ভাৰতৰ এই পন্থাই উৎপাদনশীলতাতে কেৱল গুৰুত্ব আৰোপ কৰা নহয়, ই অৰ্থনৈতিক সামাজিক, পাৰিপাৰ্শ্বিক বহনক্ষমতা সুনিশ্চিত কৰা, কৃষকক সমৃদ্ধিশালী কৰা আৰু উন্নয়নৰ বাবে এক ব্যাপক দৃষ্টিভংগী সম্ভৱ কৰি তোলা বিষয়তো গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে বহনক্ষম আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ বাবে স্থিতিস্থাপক কৃষি ব্যৱস্থা গঢ়ি তোলা বিষয়ৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাৰ ওপৰত আলোকপাত কৰে।

ooooo

সমগ্ৰ দেশতে আজি হিন্দী দিৱস পালন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগিৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ ৰাজভাষা হিচাপে গ্ৰহণ কৰিছিল। সম্প্ৰতি হিন্দী বিশ্বৰ বহুলভাৱে প্ৰচলিত ভাষাসমূহৰ অন্যতম আৰু ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ৰাজভাষাৰ হীৰক জয়ন্তী সমাৰোহ আৰু চতুৰ্থ অখিল ভাৰতীয় ৰাজভাষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দিব। ৰাজভাষা বিভাগে হিন্দী ভাষাই ৰাজভাষা হিচাপে স্বীকৃতি পোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰিছে। হিন্দী দিৱস উপলক্ষে আজি শ্ৰীশ্বাহে ৰাজভাষা ভাৰতী আলোচনীৰ হীৰক জয়ন্তী বিশেষ সংস্কৰণ উন্মোচন কৰিব আৰু ৰাজভাষা গৌৰৱ তথা ৰাজভাষা কীৰ্তি বঁটাসমূহ প্ৰদান কৰিব। হীৰক জয়ন্তী অধিক স্মৰণীয় কৰি তোলাৰ উদ্দেশ্যে অনুষ্ঠানত এটা স্মাৰক ডাক টিকট আৰু স্মাৰক মুদ্ৰা জাৰি কৰা হ'ব।

ooooo

চি পি আই-এমৰ  সদ্য প্ৰয়াত সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীক নতুন দিল্লীত আজি বিভিন্ন ৰাজনৈতিক দলৰ নেতাই শ্ৰদ্ধাঞ্জলি জনায়।  নতুন দিল্লী এইমছত দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত কালি ৭২

বছৰ বয়সত প্ৰবীণ বাওঁপন্থী ৰাজনীতিকগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। সীতাৰাম য়েছুৰীৰ নশ্বৰ দেহ ৰাজহুৱা দৰ্শন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে দলৰ মুখ্য কাৰ্যালয় এ কে গোপালন ভৱনলৈ অনা হয়। কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনীয়া গান্ধী, এন চি পি শাৰদ গোটৰ মুৰববী শাৰদ পাৱাৰ, ডি এম কেৰ সাংসদ কানিমোঝি, কংগ্ৰেছ নেতা জয়ৰাম ৰমেশৰ লগতে চি পি আই এমৰ নেতা-কৰ্মীসকলে সীতাৰাম য়েছুৰীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কেৰালাৰ ৰাজ্যপাল আৰিফ মহমদ খান, কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়ন, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি দিল্লীৰ বাসভৱনলৈ গৈ প্ৰয়াত য়েছুৰীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছিল।

ooooo

শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কাইলৈ গুজৰাটৰ ৰাজকোটত পশ্চিমৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ তৃতীয়খন আঞ্চলিক বৈঠকত সভাপতিত্ব কৰিব। বৈঠককালত তেওঁলোকে শ্ৰম সংস্কাৰ, অসংগঠিত শ্ৰমিকৰ ই-শ্ৰম ৰাষ্ট্ৰীয় তথ্যকোষ আৰু নিয়োগৰ সুযোগ বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যসমূহে গ্ৰহণ কৰা মূল পদক্ষেপসমূহৰ ওপৰত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰিব। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে চলি থকা আলোচনাৰ অংশ হিচাপে এই বৈঠক অনুষ্ঠিত কৰা হ'ব। বৈঠকৰ সময়ছোৱাত মুখ্য শ্ৰম আৰু নিয়োগ সংক্ৰান্তীয় বিষয়সমূহ যেনে- অসংগঠিত শ্ৰমিকৰ বাবে সামাজিক সুৰক্ষাৰ লাভালাভসমূহ সহজলভ্য কৰি তুলিব পৰাকৈ ই-শ্ৰম পৰ্টেল স্থাপন, গৃহ আৰু নিৰ্মাণ কাৰ্যৰ সৈতে জৰিত শ্ৰমিকলৈ কেন্দ্ৰীয় কল্যানমূলক আঁচনিসমূহৰ সম্প্ৰসাৰণকে ধৰি বিভিন্ন বিষয়ত আলোকপাত কৰা হ'ব।

ooooo

কেন্দ্ৰীয় শাসিত জম্মু-কাশ্মীৰৰ বাৰামুল্লা জিলাত আজি পুৱা সুৰক্ষা বাহিনীৰে হোৱা সংঘৰ্ষত তিনিটা অচিনাক্ত সন্ত্ৰাসবাদী নিহত হয়। এগৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়াই প্ৰকাশ কৰা মতে ক্ৰীৰি অঞ্চলত সন্ত্ৰাসবাদী .দলে সুৰক্ষা বাহিনীলৈ লক্ষ্য কৰি গুলি বৰ্ষণ কৰে। সুৰক্ষা বাহিনীয়েও গুলিৰে প্ৰত্যুত্তৰ দিয়ে। নিহত সন্ত্ৰাসবাদী কেইটাক চিনাক্ত কৰাৰ প্ৰক্ৰিয়া চলি আছে।

ooooo

কেন্দ্ৰই উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰি ভাৰতবৰ্ষত বাছমতী চাউলৰ ৰপ্তানি বৃদ্ধিৰ উদ্দেশ্যে এই চাউলৰ গুৰিৰ মূল্য সম্পুৰ্ণভাৱে আতৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চলিত বাণিজ্যিক উদ্বেগ আৰু চাউলৰ প্ৰযাপ্ত ঘৰুৱা উপলব্ধতাৰ প্ৰতি সহাৰি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ঘৰুৱা চাউলৰ বৰ্ধিত মূল্য আৰু যোগানৰ কটকটীয়া ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি ২০২৩ চনৰ আগষ্ট মাহত এই গুৰিৰ মূল্য প্ৰতি মেট্ৰিকটনত ১২শ ডলাৰ নিৰ্ধাৰণ কৰা হৈছিল। পিছলৈ অৰ্থাৎ ২০২৩ চনৰ অক্টোবৰ মাহত এই মূল্য প্ৰতি মেট্ৰিকটনত ৯৫০ ডলাৰলৈ অৱনমিত কৰা হয়।

ooooo

ভাৰতে চীনৰ হুলুনবুইৰত অনুষ্ঠিত পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ১৫ মিনিটত আৰম্ভ হৈছে।

০০০০০

**সমাপ্ত**